# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

নুনমাটি, গুৱাহাটী-৭৮১০২০

Noonmati, Guwahati-781020

Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com


প্ৰসংগ ঃ এজবেক/০০৪/০৩/২০২২-২৩ তাৰিখ ঃ ২৫-০৫-২০২২

Ref : Date :

## অসম জাতীয় বিদ্যালয়ত বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা

**নুনমাটি, গুৱাহাটী, ২৪ মে' ঃ** বিষ্ণু ৰাভা দিৱস উপলক্ষে অহা ২০ জুন, ২০২২ তাৰিখে গুৱাহাটীৰ নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ত ৰাজ্যিক ভিত্তিত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত এখনি 'আন্তঃজাতীয় বিদ্যালয় বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা'ৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনিৰ নিয়মাৱলী এনেধৰণৰ :

১। প্ৰতিখন জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিয়ে প্ৰথমে নিজ জিলাৰ এজবেকৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ পৰা প্ৰতিযোগীৰ যোগদানেৰে জিলা ভিত্তিত প্ৰাথমিক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব লাগিব। এনে জিলা ভিত্তিক প্ৰতিযোগিতা ১২/০৬/২২ তাৰিখৰ ভিতৰত সমাপন কৰিব।

২। জিলা ভিত্তিক প্ৰতিযোগিতাৰ পৰা নিৰ্বাচিত সৰ্বাধিক দুগৰাকী প্ৰতিযোগী ৰাজ্যিক ভিত্তিত অসম জাতীয় বিদ্যালয়ত অনুষ্ঠিত হ'ব লগা চূড়ান্ত প্ৰতিযোগিতালৈ পঠিয়াব লাগিব।

৩। প্ৰতিযোগীসকলে বিষ্ণুপ্ৰসাদ ৰাভা ৰচিত আৰু সুৰাৰোপিত এটি গীত পৰিবেশন কৰিব লাগিব।

৪। প্ৰতিগৰাকী প্ৰতিযোগীৰ বাবে নিৰ্দ্ধাৰিত সময় পাঁচ মিনিট হ'ব। প্ৰতিযোগীসকলে ২০ জুন, ২০২২ তাৰিখে পুৱা ৯ বজাত অসম জাতীয় বিদ্যালয়, নুনমাটি চৌহদত উপস্থিত হ'ব লাগিব।

৫। প্ৰতিযোগীসকলৰ বাবে প্ৰয়োজনীয় বাদ্যযন্ত্ৰৰ ব্যৱস্থা এজবেকে কৰিব।

৬। প্ৰতিযোগীয়ে নিজ বিদ্যালয়ৰ নিৰ্দ্ধাৰিত পোছাক পৰিধান কৰিব লাগিব।

৭। প্ৰতিযোগিতাত যোগদানৰ আগদিনাৰ পৰাই প্ৰতিযোগীসকলৰ বাবে অসম জাতীয় বিদ্যালয় চৌহদত বিনামূলীয়াকৈ থকা আৰু খোৱাৰ ব্যৱস্থা কৰা হ'ব। তাৰ বাবে ইচ্ছুক প্ৰতিযোগীসকলে আগতীয়াকৈ এজবেকৰ কাৰ্য্যালয় সহায়ক মৌচম ৰাজখোৱাৰ ৯৮৬৪২০২০৮০ নং ফোন নম্বৰত ১৫/০৬/২০২২ তাৰিখৰ ভিতৰত জনাব লাগিব।

৮। প্ৰতিযোগিতাৰ বাবে কোনো ভৰ্তি মাচুল জমা দিব নালাগে।

৯। একোগৰাকী প্ৰতিযোগীৰ লগত একোজনকৈ অভিভাৱক/তত্বাৱধায়ক আহিব পাৰিব।

১০। প্ৰতিযোগীসকলে নিজ বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষকৰ দ্বাৰা স্বাক্ষৰিত পৰিচয় পত্ৰ লগত আনিব। লগতে জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি অথবা সম্পাদকৰ চহী সম্বলিত পত্ৰও লৈ আহিব।

প্ৰতিযোগিতাখনিত শ্ৰেষ্ঠ বুলি বিবেচিত হোৱা প্ৰতিযোগীক এটি কিতাপৰ টোপোলাৰ লগতে প্ৰথম পুৰস্কাৰ হিচাপে ৫০০০.০০ (পাঁচ হাজাৰ) টকাৰ নগদ ধনৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব। সেইদৰে দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ প্ৰতিযোগীলৈ কিতাপৰ টোপোলাৰ লগতে যথাক্ৰমে ৪০০০.০০ (চাৰি হাজাৰ) আৰু ৩০০০.০০ (তিনি হাজাৰ) টকাৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব। চূড়ান্ত প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত প্ৰতিযোগীসকলৰ নাম জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিসমূহে ১৭ জুন, ২০২২ তাৰিখ বা তাৰ আগতে জনাব লাগিব।

প্ৰতিযোগীসকলে সবিশেষ জানিবৰ বাবে ৯৮৬৪২০২০৮০ নম্বৰ ফ'নত যোগাযোগ কৰিব পাৰিব।

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ